4th Semester
Sub: MIL (Assamese)
Teacher: Dr. Mira Baishya.



Topic: চুটিগল্প 'ভাগ-বটোৱাৰা'

গল্পকাৰ - নগেন্দ্ৰ নাৰায়ণ চৌধুৰী

## নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পৰ বৈশিষ্ট্য:

আৱাহন আলোচনীৰ প্ৰথম বছৰ প্ৰথম সংখ্যাত প্ৰকাশিত 'দুপাহৰী' গল্পটোৰে গল্পলেখক হিচাপে আত্মপ্ৰকাশ কৰা নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পই দহোটা বছৰলৈ আৱাহন যুগৰ গল্পৰ বিশিষ্ট দিশ কিছুমানৰ বাট মুকলি কৰি দিছিল। আনকি গল্পৰ বিষয়বস্তু, চৰ-বস্তু আৰু অন্যান্য কাৰিকৰী কৌশলৰ দিশতো সমগ্ৰ আৱাহন যুগটোৰ অসমীয়া চুটিগল্প চৌধুৰীৰ দ্বাৰা প্ৰভাৱিত আৰু অনুপ্ৰাণিত বুলিব পাৰি।

চৌধুৰীৰ গল্পৰ বিষয়বস্তুলৈ লক্ষ্য কৰিলে দেখা যায় যে, সমসাময়িক গোৱালপাৰা জিলাৰ উভালি যাব ধৰা জমিদাৰী সমাজ, জনজাতীয়

সহজ-সৰল জীৱন, তাৰ সমাজ ব্যৱস্থা আৰু কুসংস্কাৰৰ বলি হোৱা নাৰীৰ জীৱন আৰু নৰ-নাৰীৰ প্ৰেম আদিয়েই চৌধুৰীৰ গল্পৰ বিষয়বস্তু। উক্ত গল্পৰ বিষয়বস্তু সাধাৰণতে বহল পৰিসৰৰ আৰু সেইকাৰণে কেইটামান অপৰমান গল্পৰ বাহিৰে সৰহভাগ গল্পই আকাৰত অতি দীঘল। বহু সমালোচকৰ মতে, চৌধুৰীৰ গল্পত ভাষাৰ ছন্দময়শীলতাৰ অভাৱ আছে সেইবাবে উক্ত গল্প আয়তনে বিস্তৃত। দৃষ্টান্তত, আৰাহন মুখত দুৰ্ভিক্ষ তথা উপন্যাসৰ সঠিক পাঠ্যক্ৰমত চিহ্নিত হোৱা পাইছিল যাৰবাই আৰাহন মুখত অতিক্ৰান্ত হৈছে চৌধুৰীৰ গল্পৰ বিষয়বস্তু বহু পৰিমাণে উপন্যাসৰ বিষয়বস্তুৰ ওচৰ চপা।

ভাৰতবৰ্ষৰ ক্ষেত্ৰতো দেখা যায় যে, সামাজিক পৰিৱৰ্তনৰ চৌধুৰীৰ গল্প অনুৰূপ হাত দিছিল। সেইবাবে উক্ত গল্পত সমকালীন সমাজৰ কুসংস্কাৰ, ভণ্ডামি আৰু অশুভ শিক্ষাৰ প্ৰভাৱৰ আঙুলিয়াই দি সমাজ সংস্কাৰৰ মনোভাৱৰ এটি প্ৰকাশ পাইছিল। চোৰাংচোৱা নিজৰ তলৰ মাত্ৰ [illegible]

অসম আৰু এই অঞ্চলৰ কবলত সাধাৰণ মানুহৰ জীৱন কিদৰে পীড়িত হ'ব লগা হৈছিল তাৰ ছবি তেওঁৰ গল্পত আছে। সেইদৰে, পুৰুষ-প্ৰধান সমাজত নাৰীৰ সহজ-সৰল জীৱন কিদৰে অত্যাচাৰৰ চিকাৰ হৈছে; তাৰ ছবি 'মধুমালতী', 'অসৱৰ্ণ গৃহিণী'; 'মাতৃশোক' হল প্ৰাণৰ' আদি গল্পত আছে। অৰ্থানুকূলীয়া মূল্যবোধ সমৃদ্ধি স্বাতন্ত্ৰ্যবাদ জীৱনৰ সমস্যাৰ ছবি দেখাৰ স্ত্ৰী-পুৰুষৰ বিবাহিত জীৱনৰ ছবি 'মধুমালতী'; 'ফিল্ডোলজিৰ ছুঁচ' আদি গল্পত দেখা যায়।

নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পত জন-জাতীয় সমাজ-জীৱন সুন্দৰ প্ৰতিফলিত হৈছে। 'লোকশী', 'দুলী', 'খুৱি' 'লাহে', 'মনৰ চৌধা' আদি গল্পত জনজাতীয় জীৱনৰ সংঘাত, হৰ্ষ, বিষাদ আদি সুন্দৰ দিশ প্ৰতিফলিত হৈছে।

সমকালীন সমাজ জীৱনৰ বিভিন্ন দিশবোৰ চৌধুৰীৰ চেতনা সিদ্ধৰ প্ৰভাৱিত হৈছিল, সেইদৰে সমাজ জীৱন আৰু ব্যক্তি মানুহৰ মনোবৃত্তিলৈও সময় লাগিছিল। সমাজ জীৱনৰ দিশত 'চন্দ্ৰৰেখাৰ' আৰু 'হাম-বাহেৰাৰ' আদি গল্পত চিন বা পাৰিবাৰিক সমাজ আৰু জীৱনৰ সমস্যাৰ বিষয়ে চৌধুৰীয়ে

মনস্তাত্ত্বিকতাৰে দিশে বিশ্লেষণ আগবঢ়াইছে।

মহেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ গল্পত নৰ-নাৰীৰ প্ৰেমৰ অতি গুৰুত্ব আৰোপিত হোৱা দেখা যায়। তেওঁৰ গল্পত নৰ-নাৰীৰ প্ৰেমত সামাজিক দৃষ্টিকোণ-জনিত আৰু ধনী আৰু দুখীয়াৰ অৰ্থনৈতিক প্ৰতিবন্ধকে দুৰ্লংঘ্য প্ৰাচীৰ স্থাপন কৰা দিছে আৰু নাৰীৰ প্ৰেমত বহু গল্পত বিৰহ-মধুৰতাই প্ৰাধান্য পোৱা দেখা যায়। 'পৰিৱৰ্তন', 'ৰূপালী', 'মৃত্যু' আদি এনে গল্পৰ উদাহৰণ।

তেওঁৰ গল্পৰ আন এটা আকৰ্ষণীয় দিশ হ'ল চৰিত্ৰাংকন। চৌধুৰীৰ গল্প যিহেতু বহুল আয়তনবিশিষ্ট, গতিকে তেওঁৰ গল্পত চৰিত্ৰই ক্ৰিয়াশীল ভূমিকা লোৱাৰ বাবে এটা বহল পৰিসৰ পায়। মনঃসমীক্ষণৰ বাবে তেওঁৰ গল্পৰ চৰিত্ৰবোৰ উজ্জ্বল আৰু জীৱন্ত। বিশেষকৈ স্ত্ৰী-পুৰুষৰ জৈৱিক আকৰ্ষণৰ ক্ষেত্ৰত চৌধুৰীয়ে মনঃসমীক্ষাৰ ইংগিতে নৰ-নাৰীৰ অন্তৰ্জগতৰ গভীৰতালৈ দেখুৱাব পাৰিছে।

এনেদৰে, চৌধুৰীৰ গল্পৰ বৰ্ণনাভংগীত বিশেষত্ব লক্ষ্য কৰা যায়। সংলাপৰ দিশত গল্পবোৰ আটিল নহয় যদিও বৰ্ণনাৰ সাংকেতিকতা আৰু পৰিপাটিপূৰ্ণ উপস্থাপনৰ বাবে চৌধুৰীৰ গল্প আমাৰ হৃদয়স্পৰ্শী। অৱশ্যে, অনাৱশ্যক বৰ্ণনা

অথবা অত্যাধুনিকতাৰ কথাৰ থাকে তেওঁৰ
সকলোৰে বহুসমাদৃত কলাৰ মূল্য হিচাপে
উল্লেখযোগ্য নহয়। কিন্তু সেয়ে হ'লেও,
আধুনিক অসমীয়া আখ্যানৰ পথিকৃৎ হিচাপে
চৌধুৰীৰ ঐতিহাসিক গুৰুত্ব আছে আৰু
সেইদৰে ভাব বা ইঙ্গিতৰ সহিতে,
চৰিত্ৰ মনস্তাত্ত্বিক বিশ্লেষণ, সংবেদনশীল
অনুভূতি, ভাষাৰ সাবলীলতা আৰু
পাৰিপাৰ্শ্বিকতাৰ বৰ্ণনা স্থাপিত থাকে আধুনিক
যুগৰ অসমীয়া চুটিগল্পৰ সৃষ্টিত
নগেন্দ্ৰ নাৰায়ণ চৌধুৰীৰ এনে বিশেষ
অৱদান সদায়েই স্বীকৃত হৈ থাকিব।